যিজন বান্দাৰ দুয়ো ভৰি আল্লাহৰ পথত ধূলিৰে মলিন হয়, তাক জাহান্নামৰ জুয়ে স্পৰ্শ নকৰিব।

আবু আবছ আব্দুৰ ৰহমান বিন জাব্ৰ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "যিজন বান্দাৰ দুয়ো ভৰি আল্লাহৰ পথত ধূলিৰে মলিন হয়, তাক জাহান্নামৰ জুয়ে স্পৰ্শ নকৰিব।" [ছহীহ] [(বুখাৰী)]

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে সুসংবাদ দিছে যে, আল্লাহৰ পথত যুদ্ধ কৰিবলৈ যোৱা ব্যক্তিৰ ভৰিত ধূলি বালি লাগিলে, সেই ব্যক্তিক জাহান্নামৰ জুয়ে নুচুব।

http://www.sunnah.global/hadeeth/as/show/3868